# অসম বিধান সভা
## ২০২৬ চনৰ ১৫ জুলাইত উত্তৰ দিবলগীয়া
## মৌখিক প্ৰশ্ন নং – ১৪৩

**বিষয়ঃ গড়াখহনীয়া সন্দৰ্ভত।**

**শ্ৰীআব্দুছ ছোৱাহান আলী সৰকাৰ, বিধায়ক**

**মাননীয় জলসম্পদ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ**

**-প্ৰশ্ন-**

(ক) বৰাইবাৰী ৪ৰ্থ, ৫ম খণ্ড, বাঘমাৰা, উন্তোৰটোকৰাৰ ছৰা, শিঙিমাৰী আদি অঞ্চলত টিপকাই সোণকোষ, গংগাধৰ নদীৰ বাঢ়নী পানীৰ ফলত গৰাখহনীয়ায়ে হৈ আছে এই বিষয়ে বিভাগ অৱগতনে?

(খ) যদি অৱগত, এই নদীসমূহৰ খহনীয়া প্ৰতিৰোধৰ বাবে বিভাগে কি পদক্ষেপ হাতত লৈছে? বিতংভাৱে তথ্য দিব।

(গ) এই নদীসমূহৰ গৰাখহনীয়াৰ ফলত কিমান মাটি আৰু কৃষিভূমি পানীত জাহ গৈছে? বিতংভাবে জনাব।

(ঘ) এই নদীসমূহৰ গৰাখহনীয়াৰ বাবে জাহ যোৱা মাটিৰ ক্ষতিপূৰণৰ বাবে সংশ্লিষ্ট বিভাগে কি পদক্ষেপ হাতত লৈছে? বিতংভাবে জনাব।

(ঙ) উক্ত অঞ্চলবোৰৰ খহনীয়া স্থায়ী সমাধানৰ বাবে চৰকাৰে NABARD, WORLD BANK ৰ পুঁজিৰ পৰা আঁচনি গ্ৰহণ কৰি সমস্যাৰ সমাধান কৰিব নোৱাৰে নেকি? জনাব।

(চ) গংগাধৰ গৰাখহনীয়া প্ৰতিৰোধৰ বাবে ভোলাৰখাচৰ পৰা কৈম্যাৰী হৈ কাঠালতালীলৈ আৰু পাগলাহাটৰ পৰা গোদাৰঘাট হাজীৰহাট হৈ পুৰ্নীলৈ ভগ্ন মথাউৰি দুটা লোকনিৰ্মাণ বিভাগৰ সহায়লৈ পকী মথাউৰিলৈ উন্নীত কৰাৰ বাবে চৰকাৰে কি পদক্ষেপ গ্ৰহণ কৰিছে? সদনত বিতংভাবে জনাব।

(ছ) আজিজমোৰ বাটৰতলৰ পৰা বাঘমাৰা বজাৰলৈ মথাউৰিটোক পকী মথাউৰিলৈ উন্নীত কৰাৰ বাবে চৰকাৰে কি পদক্ষেপ গ্ৰহণ কৰিছে? জনাব।

**মাননীয় জলসম্পদ বিভাগৰ মন্ত্ৰী শ্ৰীযুত সুশান্ত বৰগোহাঁই দেৱে উত্তৰ দিবঃ**

**– উত্তৰ–**

(ক) হয়, বৰাইবাৰী ৪ৰ্থ, ৫ম খণ্ড, বাঘমাৰা, উন্তোৰটোকৰাৰ ছৰা, শিঙিমাৰী আদি অঞ্চলত টিপকাই, সোণকোষ আৰু গংগাধৰ নদীৰ বাঢ়নী পানীৰ ফলত হোৱা গৰাখহনীয়া পৰিস্থিতিৰ বিষয়ে জলসম্পদ বিভাগ অৱগত।

এই সন্দৰ্ভত পত্ৰ নং WR(C) 247867/368 dated 06/07/2026 যোগে **"অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণ (ASDMA)"** বিভাগৰ পৰা তথ্য বিচৰা হৈছিল। উক্ত বিভাগৰ পত্ৰ নং ASDMA 624530/31 dated 08/07/2026 অনুসৰি পোৱা তথ্যসমূহ **"Annexure-B"** ত দাখিল কৰা হ'ল।

(খ) জলসম্পদ বিভাগে টিপকাই, সোণকোষ আৰু গংগাধৰ নদীৰ গৰাখহনীয়া ৰোধৰ বাবে বৰাইবাৰী ৪ৰ্থ, বৰাইবাৰী ৫ম আৰু বাঘমৰা অঞ্চলত PSC Porcupine ব্যৱহাৰৰ জৰিয়তে নদীৰ সোঁতৰ বেগ নিয়ন্ত্ৰণ কৰিবলৈ অস্থায়ী সুৰক্ষামূলক ব্যৱস্থা গ্ৰহণ কৰি আহিছে।'

ইয়াৰ উপৰিও উত্তৰটোকৰাচাৰা আৰু শিঙিমাৰী অঞ্চলৰ গৰাখহনীয়া স্থায়ী সমাধানৰ বাবে জলসম্পদ বিভাগে ৩ খন আঁচনিৰ প্ৰাক্কলন প্ৰস্তুত কৰিছে।

ইয়াৰে "Anti-erosion measures to protect most vulnerable reaches of river Gangadhar on its both banks under Dhubri district" শীৰ্ষক ২৪.৫৪ কোটি ব্যয় সাপেক্ষে প্ৰস্তুত কৰা আঁচনিখন ১৫ তম বিত্তীয় আয়োগ (15th Finance) ৰ শিতানত অৰ্ন্তভূক্ত কৰা হৈছে। এই আঁচনিখনত সৰ্বমুঠ ২.৩ কিঃমিঃ ৰ ১ কিঃমিঃ শিঙিমাৰী অঞ্চলৰ গৰাখহনীয়া ৰোধৰ বাবে গ্ৰহণ কৰা হৈছে। পুঁজিৰ উপলভ্যতা সাপেক্ষে আঁচনিখনৰ কাম শীঘ্ৰে আৰম্ভ কৰা হ'ব। ইতিমধ্যে জল সম্পদ বিভাগৰ তৰফৰ পৰা অগ্ৰীম নিবিদা আহ্বান কৰা হৈছে। বাকী দুখন আঁচনিৰ কামো পুঁজিৰ উপলভ্যতা সাপেক্ষে হাতত লোৱা হ'ব।

উক্ত আঁচনিসমূহৰ বিৱৰণ **"Annexure-A"** ত সন্নিবিষ্ট কৰা হৈছে।

(গ) এই তথ্য জল সম্পদ বিভাগৰ অধীনত নপৰে ।

এই সন্দৰ্ভত পত্ৰ নং WR(C) 247867/368 dated 06/07/2026 যোগে **"অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণ (ASDMA)"** বিভাগৰ পৰা তথ্য বিচৰা হৈছিল। উক্ত বিভাগৰ পত্ৰ নং ASDMA 624530/31 dated 08/07/2026 অনুসৰি পোৱা তথ্যসমূহ **"Annexure-B"** ত দাখিল কৰা হ'ল।

(ঘ) এই তথ্য জল সম্পদ বিভাগৰ অধীনত নপৰে ।

এই সন্দৰ্ভত পত্ৰ নং WR(C) 247867/368 dated 06/07/2026 যোগে **"অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণ (ASDMA)"** বিভাগৰ পৰা তথ্য বিচৰা হৈছিল। উক্ত বিভাগৰ পত্ৰ নং ASDMA 624530/31 dated 08/07/2026 অনুসৰি পোৱা তথ্যসমূহ **"Annexure-B"** ত দাখিল কৰা হ'ল।

(ঙ) উক্ত অঞ্চলবোৰৰ খহনীয়াৰ স্থায়ী সমাধানৰ বাবে NABARD, World Bank ৰ পুঁজিৰ পৰা বৰ্তমানলৈ কোনো আঁচনি হাতত লোৱা হোৱা নাই। ইতিমধ্যে প্ৰতিখন নদী সাপেক্ষে স্পৰ্শকাতৰ অঞ্চলসমূহ জৰীপ কৰি থকা হৈছে আৰু অতি সোনকালে প্ৰাককলন প্ৰস্তুত কৰা হব। যাৱতীয় পুঁজিৰ উপলভ্যতা সাপেক্ষে উক্ত আঁচনি সমূহ কাৰ্যকৰী কৰাৰ বাবে জলসম্পদ বিভাগে ব্যৱস্থা গ্ৰহণ কৰিব।

(চ) জলসম্পদ বিভাগে ধুবুৰী জিলাত গংগাধৰ নদীৰ সোঁফালে ভোলাৰখাচৰৰ পৰা কৈমাৰীলৈ মুঠ ১৫০০ মিটাৰ দৈৰ্ঘ্যৰ এটা মথাউৰি নিৰ্মাণ কৰিছে। উক্ত মথাউৰিৰ পকীকৰণৰ বাবে লোক নিৰ্মাণ বিভাগৰ অনুৰোধ মৰ্মে হস্তান্তৰ কৰা হ'ব। সেই অনুসৰি জলসম্পদ বিভাগে প্ৰয়োজনীয় NOC (No Objection Certificate) জাৰি কৰিব। ইয়াৰ উপৰিও পাগলাহাটৰ পৰা গোদাৰঘাট হাজীৰহাট হৈ পূৰ্নীলৈ জলসম্পদ বিভাগৰ অধিনত কোনো ভগ্ন মথাউৰি নাই।

এই সন্দৰ্ভত পত্ৰ নং WR(C) 247867/369 dated 06/07/2026 যোগে **"লোক নিৰ্মাণ বিভাগ (পথ)"** বিভাগৰ পৰা তথ্য বিচৰা হৈছিল। উক্ত বিভাগৰ পত্ৰ নং- CRD6/2026/38 dated 09/07/2026 অনুসৰি পোৱা তথ্যসমূহ **"Annexure-C"** ত দাখিল কৰা হ'ল।

(ছ) আজিজমোৰ বাটৰতলৰ পৰা বাঘমাৰা বজাৰলৈ জলসম্পদ বিভাগৰ কোনো মথাউৰি নাই।

(উক্ত প্ৰশ্নৰ উত্তৰসমূহৰ সৈতে **"Annexure-A"**, **"Annexure-B"** আৰু **"Annexure-C"** অনলাইন যোগে **NeVA** পৰ্টেলত দাখিল কৰা হৈছে)

***************

Annexure A

Dy.No.40

| Sl. No. | Name of River | Location | Scheme Name | Estimted Amount(Rs. In Lakhs) |
|---|---|---|---|---|
| 1 | Gangadhar | Singimari | Anti-erosion measures to protect most vulnerable reaches of river Gangadhar on its both banks under Dhubri district (proposed under 15th Finance) | ₹ 2,454.00 |
| 2 | Tipkai | Boraibari Pt-V | Flood Mitigation and Resilience approach for stabilization of River Bank at Boraibari Pt V village from flooding of river Tipkai on its R/B under SDMF for the year 2026-27 | ₹ 900.00 |
| 3 | Gangadhar | North Tokkrerchara | Pro-siltation measures to protect North Tokkrerchara and its adjoining areas from erosion of river Gangadhar under SDMF for the year 2026-27 | ₹ 600.00 |

10/7/26

Chief Engineer
Water Resources Department
Assam Water Centre
5th Floor, Basistha Chariali, Ghy. - 29

Annexure - B



GOVERNMENT OF ASSAM
ASSAM STATE DISASTER MANAGEMENT AUTHORITY
ANCILLARY BLOCK, ASSAM SECRETARIAT, DISPUR, GUWAHATI-781006
Phone: 0361-2237221 (O); 0361-2237010 (Fax);
E-mail: asdmaghy@gmail.com; Website: www.asdma.gov.in

No. 624530 /31 Dated: July 08, 2026

From : Alakananda Medhi, ACS
Deputy Secretary & SPC
Assam State Disaster Management Authority
Dispur, Guwahati-06

To : Deputy Secretary (ii)
Water Resources Department
Assam Secretariat, Dispur -06

**Ref:** **Your letter No. WR (C) 247867/368 dated 06-07-2026**

**Sub : Reply on Assembly Questions against the Dy. No. 30&40**

Sir,

With reference to the subject above and letter under reference, I am forwarding herewith relevant materials for preparation and submission of reply in respect of Assembly Question Dy No. 30 & 40 as follows:

**Dy. No. 30**

(Ka) Details is given as Annexure I, as per Disaster Reporting and Information Management System (DRIMS) portal

(Kha) The question is not pertinent to ASDMA.

**Dy. No. 40**

(Ka) Details is given as Annexure II, as per Disaster Reporting and Information Management System (DRIMS) portal

(Kha) The question is not pertinent to ASDMA.

(Ga) Details is given as Annexure III, as per Disaster Reporting and Information Management System (DRIMS) portal

(Gha) The question is not pertinent to ASDMA

(Unga) The question is not pertinent to ASDMA

(Sa) The question is not pertinent to ASDMA

(Sha) The question is not pertinent to ASDMA

Yours faithfully,
Digitally signed by
ALAKANANDA MEDHI
Date: 08-07-2026
18:02:50
(Alakananda Medhi, ACS)
Deputy Secretary & SPC
Assam State Disaster Management Authority

| Eroded Area (in Hect.) | District | Total | Crop Area Eroded | Non Crop Area Eroded | Eroded by river |
|---|---|---|---|---|---|
| | Dhubri | 0.8433735 | 0.301204819 | 0.542168675 | Brahmaputra |
| | South Salmara Part | 25.950469 | 18.7416332 | 7.208835343 | Brahmaputra |
| | Bilasipara | 3.2155288 | 2.39892905 | 0.816599733 | Gaurang, Brahmaputra |
| | Athani | 1.0923695 | 0 | 1.092369479 | Gaurang, Tipkai |
| | Agamoni | 0.4016064 | 0.401606426 | 0 | Gangadhar |
| | **Total** | **31.503347** | **21.8433735** | **9.659973229** | |

Annexure III

| Eroded Area (in Hect.) | District | Total | Crop Area Eroded | Non Crop Area Eroded | Eroded by river |
|---|---|---|---|---|---|
| | Dhubri | 0.8433735 | 0.301204819 | 0.542168675 | Brahmaputra |
| | South Salmara Part | 25.950469 | 18.7416332 | 7.208835343 | Brahmaputra |
| | Bilasipara | 3.2155288 | 2.39892905 | 0.816599733 | Gaurang, Brahmaputra |
| | Athani | 1.0923695 | 0 | 1.092369479 | Gaurang, Tipkai |
| | Agamoni | 0.4016064 | 0.401606426 | 0 | Gangadhar |
| | **Total** | **31.503347** | **21.8433735** | **9.659973229** | |

Annexure - C

ASSEMBLY URGENT

GOVERNMENT OF ASSAM

লোক নিৰ্মাণ বিভাগ (পথ)

PUBLIC WORKS ROADS DEPARTMENT::COMMUNICATION BRANCH

DISPUR: GUWAHATI-6

pwrdcommunication@gmail.com

No. CRD6/2026/38 Dated Dispur 9th July 2026.

From : The Under Secretary (Communication Branch) to the Govt. of Assam- cum Nodal Officer, Assembly Matters, PWRD, Dispur, Guwahati-06

To : The Deputy Secretary (II) to the Govt. of Assam, Water Resource Department, Dispur, Guwahati-06

Sub : Reply of Provisional Starred AQ Dy no 40 & Dy no 45 –reg

Ref: Your letter WR(C)247867/369 dated 6th July 2026.

Sir,

I am directed to forward herewith a copy of the reply of the Provisional Starred Assembly Question Dy no 40 and Dy no 45 to be asked by Hon'ble MLA in the ongoing Budget Session of Assam Legislative Assembly, 2026

This is for favour of your kind disposal.

Enclo.: As stated above.

Yours faithfully,

09/07/2026

Under Secretary (Communication Branch)to the Govt. of Assam,
Public Works Roads Department
Dispur, Guwahati-06

Memo no CRD6/2026/ 38 -A Dated Dispur 9th July 2026.

Copy to:

1. P.S. to the Commissioner and Special Secretary, PWRD, Dispur, Assam-06 for favour of kind appraisal of Commissioner and Special Secretary, PWRD.

By Orders etc.

Under Secretary (Communication Branch)to the Govt. of Assam,
Public Works Roads Department
Dispur, Guwahati-06

অসম বিধান সভার বাজেটে অধিবেশণ ২০২৬

প্ৰশ্ননং: ডিওয়াই নং ৪০

বিষয়ঃ পড়াসহনীয়া সন্দৰ্ভত

বিধায়ক - শ্ৰী- আব্দুছ ছোৱাহান আলী সৰকাৰ

মান্নীয় জনসম্পদ বিম্পগন মন্ত্ৰীমহোদয়ে তঅনুগ্ৰহ কৰি জনজৱেঃ

**উত্তৰঃ**

মাননীয় জনসম্পদ বিম্পগন মন্ত্ৰী মহোদয়ে উত্তৰ দিবঃ

(ক) এই বিষয়টো লোকনিৰ্মান (পথ) বিভাগৰ লগত জৰিত নহয় ।

(খ)এই বিষয়টো লোকনিৰ্মান (পথ) বিভাগৰ লগত জৰিত নহয় ।

(গ) এই বিষয়টো লোকনিৰ্মান (পথ) বিভাগৰ লগত জৰিত নহয় ।

(ঘ) এই বিষয়টো লোকনিৰ্মান (পথ) বিভাগৰ লগত জৰিত নহয় ।

(ঙ) এই বিষয়টো লোকনিৰ্মান (পথ) বিভাগৰ লগত জৰিত নহয় ।

(চ) গংগাধৰ নৈৰ গৰাখহনীয়া প্ৰতিৰোধৰ বাবে প্ৰশ্নত উল্লেখিত অঞ্চনদুটাত পথ নিৰ্মানৰ বানে এতিয়ালৈকে এই বিভাগৰ পৰা কোনো আঁচনি লোৱা হোৱা নাই।

(ছ) আজিজমোৰ বাটৰ তলৰ পৰা বাঘমাৰা বজাৰলৈ মাথাউৰিটোক পকী মাথাউৰিলৈ উন্নীত কৰাৰ বাবে এই বিভাগৰ পৰা এতিয়ালৈকে কোনো আঁচনি লোৱা হোৱা নাই।